# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - - - - - - - - -***

### *Headlines*

১।　উত্তৰ প্ৰদেশৰ গোণ্ডাত চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ দুৰ্ঘটনাত পতিত। ৰে'ল মন্ত্ৰালয়ৰ দুৰ্ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ।

২।　দুৰ্ঘটনাৰ পাছতে উত্তৰ প্ৰদেশ চৰকাৰৰে যোগাযোগ কৰিবলৈ গৃহ বিভাগৰ বিষয়াক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ। উত্তৰ পূব সীমান্ত ৰে'লৰেৰ হেল্পলাইন নম্বৰ মুকলি।

৩।　বৰাকৰ তিনিখন জিলাত প্ৰতি মাহে দুজনকৈ মন্ত্ৰী ভ্ৰমণ কৰাৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ।

৪।　ৰাজ্যৰ কেইবাখনো জিলাত জাপানীছ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ। এই পৰ্যন্ত এই ৰোগত আক্ৰান্ত হৈ পাঁচজন লোকৰ মৃত্যু।

আৰু

৫।　সুলভ মূল্যৰ ব্যৱসায়ীয়ে প্ৰাপ্য ধন নোপোৱাৰ বিষয়টো তদন্ত কৰিবলৈ যোগান আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ নিৰ্দেশ।

***------------***

উত্তৰ প্ৰদেশৰ গোণ্ডা ষ্টেশ্যনৰ সমীপত আজি ডিব্ৰুগড়-চণ্ডীগড় এক্সপ্ৰেছ দুৰ্ঘটনাত পতিত হয়। ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি দুৰ্ঘটনাৰ ফলত ৰে'লখনৰ ৬টা দবা লাইনচ্যুত হয়। দুৰ্ঘটনাত কমেও দুজন যাত্ৰী নিহত হোৱাৰ লগতে আন ২০ গৰাকী যাত্ৰী আহত হয়। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি লক্ষ্ণৌৰ পৰা যোৱা দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰে'ল বিভাগৰ জ্যেষ্ঠ বিষয়াই দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্যৰ তদাৰক কৰি আছে। দুৰ্ঘটনাৰ ফলত কেইবাখনো ৰে'লৰ সেৱা বাতিল কৰা হৈছে। উল্লেখযোগ্য যে ৰে'ল মন্ত্ৰালয়ে নিহতৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ আৰু আহতক আঢ়ৈ লাখ আৰু সামান্যভাৱে আহতক ৫০ হাজাৰ টকাকৈ ক্ষতিপূৰণ ঘোষণা কৰিছে। ৰে'ল মন্ত্ৰালয়ে দুৰ্ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়ে। ইপিনে, ৰেল দুৰ্ঘটনাৰ খবৰ পোৱাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগৰ বিষয়াক উত্তৰ প্ৰদেশ চৰকাৰৰ সৈতে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিছে। আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৱেই যাত্ৰী আৰু যাত্ৰীৰ অভিভাৱকৰ সুবিধাৰ বাবে অসমৰ কেইবাটাও ৰে'ল ষ্টেশ্যনৰ বাবে হেল্পলাইন নম্বৰ মুকলি কৰিছে। তিনিচুকীয়াৰ বাণিজ্যিক নিয়ন্ত্ৰণৰ বাবে ৯৯৫৭৫-৫৫৯৮৪, ফৰকাটিঙৰ বাবে ৯৯৫৭৫-৫৫৯৬৬, মৰিয়নীৰ বাবে ৬০০১৮-৮২৪১০, শিমলুগুৰিৰ বাবে ৮৭৮৯৫-৪৩৭৯৮, তিনিচুকীয়াৰ বাবে ৯৯৫৭৫-৫৫৯৫৯,

ডিব্ৰুগড়ৰ বাবে ৯৯৫৭৫-৫৫৯৬০ নম্বৰ মুকলি কৰিছে। ৰে'ল দুৰ্ঘটনা সন্দৰ্ভত উত্তৰ-পূব ৰে'লৰেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া সব্যসাচী দেই এইদৰে কয়-

ভইচ কাষ্ট

ইপিনে, দুৰ্ঘটনাস্থলীত ৰে'ল বিভাগৰ লোকে চলাই থকা উদ্ধাৰ কাৰ্যৰ লগতে দুৰ্ঘটনাত হোৱা ক্ষয়-ক্ষতিৰ সন্দৰ্ভত আকাশবাণীৰ লক্ষ্ণৌৰ সংবাদদাতা সুশীল তিৱাৰীয়ে এইদৰে কয়-

ভইচ কাষ্ট

ooooooooo

বৰাক উপত্যকাৰ তিনিখন জিলাৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি জিলাকেইখনত প্ৰতি মাহে দুজনকৈ মন্ত্ৰী তিনিদিন থাকিব বুলি আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। দিছপুৰত অনুষ্ঠিত বৈঠকৰ অন্তত সংবাদমেলযোগে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে জিলাকেইখনৰ অভিভাৱক মন্ত্ৰীৰ লগতে আন দুজন মন্ত্ৰীয়ে বৰাকত বাহৰ পাতি বিভিন্ন উন্নয়নমূলক আঁচনিৰ পৰ্যালোচনা কৰিব। প্ৰতি মাহে দুগৰাকী মন্ত্ৰী বৰাকৰ জিলা তিনিখনত তিনিদিন ভ্ৰমণ কৰি বিভিন্ন বিভাগৰ কাম-কাজৰ খতিয়ান ল'ব বুলি মন্ত্ৰী মল্ল বৰুৱাই প্ৰকাশ কৰে। বৰাকৰ জিলা তিনিখন ভ্ৰমণ কৰা মন্ত্ৰী দুজনে স্থানীয় বিধায়ক, দল-সংগঠনৰ নেতাৰ লগত বিভিন্ন বিষয়ত আলোচনাত মিলিত হোৱাৰ লগতে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতেও বিভিন্ন বিষয় আলোচনা কৰিব বুলি তেওঁ লগতে প্ৰকাশ কৰে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ ৭৫টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন **উইংছ টু আৱাৰ হোপ্‌ছ** গ্ৰন্থৰ প্ৰথম খণ্ড আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন চৌহদত উন্মোচন কৰা হয়। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই গ্ৰন্থখনৰ হিন্দী আৰু ইংৰাজী সংস্কৰণৰ লগতে ই-বুকখন মুকলি কৰে। এই অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানো উপস্থিত থাকে। এই অনুষ্ঠানত আন দুখন গ্ৰন্থ **কাহানী ৰাষ্ট্ৰপতি ভৱন কী** আৰু **ৰাষ্ট্ৰপতি ভৱন, হেৰিটেজ মিটছ দ্যা প্ৰেজেণ্ট** মুকলি কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত কৃষি মন্ত্ৰী শ্ৰীচৌহানে ৰাষ্ট্ৰপতিগৰাকীৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰি কয় যে, তেওঁ নিজৰ সমগ্ৰ জীৱন সমাজ বিশেষকৈ অৱহেলিতসকলৰ উত্তৰণৰ বাবে উৎসৰ্গা কৰিছে। শ্ৰীচৌহানে লগতে আজি উন্মোচিত হোৱা এই গ্ৰন্থখনে ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰপতি ভৱনৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক গভীৰ কৰি তুলিব বুলি উল্লেখ কৰে। গ্ৰন্থৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি শ্ৰীচৌহানে কয় যে, গ্ৰন্থই আমাক মূল্যবান তথ্য দিয়াৰ লগতে গণতন্ত্ৰ আৰু সমাজৰ প্ৰমূল্য সম্পৰ্কে অৱগত কৰে। অনুষ্ঠানত অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে গ্ৰন্থক ভৱিষ্যত প্ৰজন্মৰ বাবে মূল্যবান নথি বুলিও অভিহিত কৰে। তেওঁ লগতে **কাহানী ৰাষ্ট্ৰপতি ভৱন কী** গ্ৰন্থখনৰ কথা উল্লেখ কৰি এই গ্ৰন্থই ৰাষ্ট্ৰপতি ভৱনৰ অভিনৱ স্থাপত্য আৰু চহকী ঐতিহ্য সম্পৰ্কে চিত্ৰকল্পৰ দ্বাৰা উপস্থাপন কৰিব বুলি উল্লেখ কৰে।

ooooooooo

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হোৱাৰ পাছত পশুধন আৰু হাঁহ-কুকুৰাক ৰোগৰ পৰা ৰক্ষা কৰিবলৈ পশুপালন বিভাগক যাৱতীয় নিৰীক্ষণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই নিৰ্দেশ দিয়ে। দিছপুৰত আজি অনুষ্ঠিত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এখন বৈঠকত শীৰ্ষ বিষয়াসকলক এই দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। পশুপালন আৰু

দুগ্ধ খণ্ডৰ গুৰুত্ব বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই খণ্ডসমূহৰ উন্নয়ন আৰু পশুপালক তথা দুগ্ধপালকসকলৰ সবলীকৰণ সুনিশ্চিত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰকাশ কৰে। আজিৰ এই বৈঠকত কৃত্ৰিম প্ৰজননৰ লগতে বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা কৰা হয়। কৃষকসকলৰ সুবিধাৰ্থে কামসমূহ নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

ooooooooo

শিৱসাগৰ জিলাই ৰাজ্যৰ প্ৰথমখন ১০০ শতাংশ অ' ডি এফ প্লাছ আদৰ্শ জিলাৰ স্বীকৃতি লাভ কৰে। এই বৃহৎ লক্ষ্য প্ৰাপ্তিত নিৰন্তৰ সহযোগিতা আৰু প্ৰয়াসৰ বাবে শিৱসাগৰৰ প্ৰতিজন বাসিন্দালৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ৰাজ্য চৰকাৰৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ আৰু সুস্থ ভাৰতৰ লক্ষ্য পূৰণৰ দিশত নিৰন্তৰ প্ৰচেষ্টাৰ বাবে তেওঁ স্বচ্ছ ভাৰত মিছন গ্ৰামীণ, অসমৰ প্ৰতিজন বিষয়াক শুভেচ্ছা জ্ঞাপন কৰে।

ooooooooo

অসম বিধানসভাৰ শৰৎকালীন অধিবেশন অহা ২২ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি অধিসূচনাযোগে শৰৎকালীন অধিবেশন ২২ আগষ্টৰ পৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিবেশনৰ কাম-কাজ আৰম্ভ হ'ব।

ooooooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি দিছপুৰত ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে এখন বৈঠকত মিলিত হয়। এই বৈঠকত পলিটেকনিক প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ কাম-কাজ সন্দৰ্ভত বুজ লোৱা হয়। চলিত বিত্তীয় বৰ্ষত শিক্ষানুষ্ঠানসমূহৰ অতিৰিক্ত শ্ৰেণীকোঠা, স্মাৰ্ট শ্ৰেণীকোঠা, আৱাসিক আদি আন্তঃগাঁথনিগত উন্নয়নৰ বাবে লোৱা পৰিকল্পনা অনুসৰি অধ্যক্ষসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে বিশদ আলোচনা কৰে।

ooooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে

গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত বানৰ পাছত জাপানীজ এনচেফেলাইটিছ আৰু জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। এই ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে ৫ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ১১ জন লোক চিকিৎসাধীন হৈ আছে। ৰাজ্যৰ ২৪ খন জিলাত ১৮৭ জন লোক এই ৰোগত আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে। গোলাঘাট জিলাত জানুৱাৰী মাহৰ পৰা এতিয়ালৈ ৫৫ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰা মতে এই লোকসকল জাপানীজ এনচেফেলাইটিছতেই নহয় অন্য ৰোগতো আক্ৰান্ত হৈছে। জিলাখনত মুঠ ৮ জন লোকহে এই ৰোগত আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে। বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত স্বাস্থ্য বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছে। স্বাস্থ্য বিভাগে সকলো লোকক এই ৰোগৰ বাবে আতংকিত নহৈ, সজাগ হ'বলৈ আহ্বান জনাইছে।

উল্লেখযোগ্য যে অতিপাত জ্বৰ, মূৰৰ বিষ, অপ্ৰাসংগিক আৰু বিভ্ৰান্ত হোৱা, সংজ্ঞাহীনতা, শৰীৰৰ অস্বাভাৱিক কঁপনি আৰু শুদ্ধভাৱে কথা ক'বলৈ অসমৰ্থ হোৱা এই জাপানীজ এনচেফেলাইটিছৰ প্ৰধান লক্ষণ। তাৎক্ষণিক চিকিৎসাৰ দ্বাৰা এই ৰোগৰ পৰা জীৱন ৰক্ষা কৰিব পাৰি। এই ৰোগৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ স্বাস্থ্য বিভাগে কেইবাটাও পৰামৰ্শ আগবঢ়াইছে। মহৰ কামোৰৰ পৰা ৰক্ষা কৰিবলৈ সন্ধিয়া আৰু পুৱা পানী জমা হোৱা এলেকালৈ যোৱাটো পৰিহাৰ কৰিব লাগে। ইয়াৰ লগতে পাতল ৰঙৰ, দীঘল হাতৰ কাপোৰ পৰিধান কৰিব লাগে। শোৱাৰ সময়ত আঁঠুৱা ব্যৱহাৰ কৰাৰ লগতে মহৰ প্ৰতিৰোধৰ বাবে কীটনাশক ছটিয়াব লাগে। ঘৰৰ আশে-পাশে থকা নলা-নৰ্দমাসমূহ পৰিষ্কাৰ কৰি ৰখাৰ লগতে গাহৰিৰ গঁৰাল জাল বা আঁঠুৱাৰে ঢাকি ৰাখিব লাগে। বানৰ পাছত সৃষ্টি হ'ব পৰা বিভিন্ন বাহকজনিত ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মহৰ পৰা হ'বপৰা ৰোগ নিৰ্মূলকৰণৰ বাবে ৰাসায়নিক দ্ৰব্য ছটিওৱাৰ লগতে ঠায়ে ঠায়ে সজাগতামূলক সভা অনুষ্ঠিত কৰা হৈছে।

০০০০০০০০০

যোগান আৰু ৰাজহুৱা বিতৰণ বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি দিছপুৰত সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ বিভিন্ন দাবী সন্দৰ্ভত সন্থাৰ বিষয়াবৰ্গৰ সৈতে আলোচনাত মিলিত হয়। সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ দাবীসমূহ শুনাৰ অন্তত মন্ত্ৰী শ্ৰীদাসে সন্থাই ২০০৮ চনৰ পৰা ২০১৫ চনলৈ প্ৰাপ্য ধন নোপোৱা সন্দৰ্ভত তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০০৮ চনৰ পৰা ২০১৫ চনলৈ অন্ন সুৰক্ষা যোজনা আঁচনিৰ অধীনত সুলভ মূল্যৰ ব্যৱসায়ীসকলে পৰিবহন ব্যয়ৰ বাবদ ১১ কোটি ২৫ লাখ টকা পাবলগীয়া আছে। আনহাতে, ২০১০ চনৰ পৰা ২০১৫ চনলৈ মুখ্যমন্ত্ৰী অন্ন সুৰক্ষা যোজনাত সুলভ মূল্যৰ ব্যৱসায়ীসকলে ৭ কোটি ২১ লাখ টকা পাবলগীয়া আছে। সুলভ মূল্যৰ ব্যৱসায়ীসকলে যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা পাবলগীয়া কমিছনৰ ধন ১৮০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিয়াৰ পাছত ৰাজ্য চৰকাৰে সেই ধন মুকলি কৰি দিয়া বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰৰ তৰফৰ পৰাও সুলভ মূল্যৰ ব্যৱসায়ীসকলক ৬০ কোটি টকা মুকলি কৰি দিয়া হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। তেওঁ কয় যে এই ধনৰাশি তেওঁলোকে আগন্তুক নৱেম্বৰ মাহলৈকে প্ৰতি মাহৰ কমিছন হিচাপে জিলা আয়ুক্তৰ জৰিয়তে পোনপটীয়াকৈ বেংক একাউণ্টত লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব গ্ৰহণ কৰাৰ পাছত ২০২১ চনৰ ৩০ জুনত

অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সুলভ মূল্যৰ ব্যৱসায়ীসকলক ২০১৯ চনৰ এপ্ৰিল মাহৰ পৰা ১৪৩ টকাকৈ আদায় দি অহা হৈছে। আজিৰ বৈঠকত সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াৰ লগতে বিভিন্ন জিলাৰ ৩৫গৰাকী প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০০০০

মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত আজি ডিফু ক্লাবত আৰ্থিকভাৱে পিছপৰা বিদ্যাৰ্থীসকলৰ লগতে বিভিন্ন ৰোগত আক্ৰান্ত হোৱা লোকসকলৰ মাজত চেক বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কাৰ্বি আংলং স্বায়িত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপস্থিতিত স্থানীয় বিধায়ক বিদ্যাছিং ইংলেঙে ডিফু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৩০ জন লোকক প্ৰথম পৰ্যায়ৰ চেকসমূহ বিতৰণ কৰে। পৰৱৰ্তী সময়ত সমষ্টিটোৰ প্ৰায় এহেজাৰ লোকক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য উপস্থিত থাকে।

০০০০০০০০০

২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলং জিলাৰ ডকমকাত সংঘটিত অভি-নীল হত্যাকাণ্ডৰ আজি শুনানী অনুষ্ঠিত হয়। নগাঁও আদালতত বিচাৰাধীন গোচৰটোৰ এই মাহৰ শেষৰ ফালে অৰ্থাৎ ৩০ জুলাইত পৰৱৰ্তী শুনানী গ্ৰহণ কৰা হ'ব। আজি নগাঁও সত্ৰ ন্যায়াধীশ আদালতত আছামী পক্ষৰ অধিবক্তা উপস্থিত নথকাত গোচৰটোৰ শুনানী পৰৱৰ্তী ৩০ জুলাইলৈ পিছুৱাই দিয়া হয়। উল্লেখযোগ্য যে এই ঘটনাৰ ৪৭ জন অভিযুক্তৰ ভিতৰত এজন অপ্ৰাপ্তবয়স্ক হিচাপে প্ৰকাশ কৰা হৈছিল যদিও আদালতত আজিপৰ্যন্ত অপ্ৰাপ্তবয়স্কৰ প্ৰমাণপত্ৰ জমা দিয়া হোৱা নাই।

০০০০০০০০০

জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰতা প্ৰতিৰোধ আইন ১৯৬০ৰ অধীনত মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনত মাংস কটা আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি এই আইনৰ নিয়ম ২০০১ৰ ৬ নম্বৰ আৰু ১ নম্বৰ ধাৰাৰ অধীনত কোনো জীৱ-জন্তুক অন্য জীৱ-জন্তুৰ দৃষ্টিগোচৰ হোৱাকৈ বধ কৰাত বাধা আৰোপ কৰা হৈছে। নিৰ্দেশনাত লগতে শিশুৰ সন্মুখত জীৱ-জন্তু বধ কৰাতো নিষিদ্ধ কৰা হৈছে। তদুপৰি জনস্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখি পথৰ কাষত বজাৰ আদি আৱৰণ নোহোৱাকৈ কাটি ৰখা মাংস আদি বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ জাৰি কৰা এই নিৰ্দেশ অমান্য কৰিলে নিৰ্ধাৰিত আইনৰ অধীনত শাস্তি প্ৰদান কৰা হ'ব বুলি কোৱা হৈছে।

০০০০০০০০০

ডিব্ৰুগড় টিংখাঙত গ্ৰীষ্মকালীন ভাওনা প্ৰশিক্ষণৰ আজি সামৰণি পৰে। নতুন প্ৰজন্মক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ অমৰ সৃষ্টি ভাওনাৰ সৈতে পৰিচয় কৰি দিয়াৰ মানসেৰে এই কৰ্মশালাৰ আয়োজন কৰা হৈছিল। যোৱা ২ জুলাইৰ পৰা অনুষ্ঠিত এই কাৰ্যসূচীত বিকাশ বৰুৱা আৰু সৌৰভ চেতিয়াই প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰে।

০০০০০০০০০

সমাপ্ত